# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-10-2025
**Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

ধন আৰু ঐশ্বৰ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা আজি সমগ্ৰ ৰাজ্যতে অনুষ্ঠিত হৈছে। ভক্তসকলে ঘৰে ঘৰে নৈবেদ্য, ধূপ-দীপ আগবঢ়াই নিজ নিজ গৃহলৈ ঐশ্বৰ্যবিভূতি আগমনৰ কামনা কৰিছে। কোনো কোনো ঠাইত ৰাজহুৱাভাৱেও লক্ষ্মী দেৱীৰ পূজাৰ আয়োজন কৰা হৈছে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ বাবে এইবাৰৰ ৰাজহুৱা লক্ষ্মী পূজাসমূহো কিছু স্তিমিত হোৱা পৰিলক্ষিত হৈছে।

গুৱাহাটী মহানগৰীৰ বেলতলাৰ শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ, গণেশগুৰিৰ লক্ষ্মী মন্দিৰকে ধৰি বিভিন্ন মন্দিৰ আৰু নামঘৰ আদিতো এই পূজাৰ আয়োজন চলিছে। সন্ধিয়াৰ ভাগত নাম-প্ৰসংগ আৰু ভোগ-বিতৰণ অনুষ্ঠিত হ'ব।

**চিৰাং** জিলাৰ বিজনীৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰীলক্ষ্মী পূজা আৰু মেলা মহোৎসৱ আজিৰে পৰা ১৪ দিনীয়া কাৰ্যসূচীৰে ৰজা বিজিত নাৰায়ণ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে বিজনী অঞ্চলত শাৰদীয় দুৰ্গোৎসৱতকৈও এই লক্ষ্মী পূজা অধিক আড়ম্বৰে আয়োজন কৰা হয়।

**ধুবুৰী,গোৱালপাৰা, বাক্সা, কাছাৰ, কামৰূপ, বজালী আদি জিলাতো** বৰ্ণাঢ্য কাৰ্যসূচীৰে লক্ষ্মী পূজা অনুষ্ঠিত হৈছে বুলি আমাৰ সংবাদদাতাসকলে জনাইছে।

০০০০০০

হিমালয়ৰ উৎস অংশত হোৱা প্ৰবল বৰষুণৰ ফলত উত্তৰ বংগ আৰু ছিকিমৰ প্ৰায়বোৰ নদী ফেনে-ফোটোকাৰে বাঢ়ি অহাৰ ফলত সমগ্ৰ অঞ্চলটো অভূতপূৰ্ব বানপানীৰ কবলত পৰিছে। তিস্তা আৰু তৰ্ছা নৈৰ জলপৃষ্ঠ বিপদসীমাৰ ভালেখিনি ওপৰেৰে বৈ থকাৰ ফলত বিস্তীৰ্ণ অঞ্চল প্লাৱিত হোৱাৰ লগতে পথ আৰু ৰে'ল যোগাযোগ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ছিকিম আৰু দাৰ্জিলিঙত প্ৰবল বৰষুণ আৰু ভূমিস্খলনৰ ফলত এতিয়ালৈকে ২৩জন লোকে প্ৰাণ হেৰুৱাইছে। উত্তৰ বংগৰ মিৰিকত উদ্ধাৰ অভিযানত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, সেনা বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু আৰক্ষী বাহিনীৰ লোকক নিয়োজিত কৰা হৈছে। অসমকে ধৰি বিভিন্ন অঞ্চলৰ পৰা মিৰিকলৈ যোৱা পৰ্যটকসকলক উদ্ধাৰ কৰাৰ বাবে দিনে-নিশাই অভিযান চলাই থকা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে ভূমিস্খলনৰ ফলত বেয়াকৈ ক্ষতিগ্ৰস্ত শিলিগুৰি আৰু দাৰ্জিলিঙৰ মাজৰ ১১০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ আজি পুৱাৰ ভাগত আংশিকভাৱে মুকলি কৰা হৈছে। পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি উচ্চপদস্থ বিষয়াসকলৰ সৈতে দাৰ্জিলিং অঞ্চল ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ ল'ব। ৰাজ্যখনৰ ৰাজ্যপাল চি বি আনন্দ বোসেও দাৰ্জিলিং ভ্ৰমণ কৰাৰ সম্ভাৱনা আছে। উত্তৰ বংগত হোৱা প্ৰবল বানপানীৰ ফলত উত্তৰ-পূব সীমান্ত ৰে'লৱেই ৯খন ৰে'লৰ যাত্ৰা বাতিল কৰিছে। এই ৰে'লগাড়ীকেইখনৰ ভিতৰত আনন্দ বিহাৰ আৰু কামাখ্যাৰ মাজত চলাচল কৰা ১৫৬২২ নম্বৰৰ সাপ্তাহিক এক্সপ্ৰেছ ৰে'লগাড়ী আৰু তিনিচুকীয়া-অমৃতসৰৰ

মাজত চলাচল কৰা ১৫৯৩৪ এক্সপ্ৰেছ, ১৯৩০৬ কামাখ্যা-ড০ আম্বেদকাৰ নগৰ এক্সপ্ৰেছ, ১৫৭০৩ নিউ জলপাইগুৰি-বঙাইগাঁও এক্সপ্ৰেছ আৰু ৭৫৭২৫ শিলিগুৰি-বঙাইগাঁও এক্সপ্ৰেছ কেইখনো আছে। আনহাতে, উত্তৰ পূৰ্বাঞ্চলৰ পৰা দেশৰ বাকী অংশলৈ চলাচল কৰা কেইবাখনো দূৰণিবটীয়া ৰে'লগাড়ীৰ যাত্ৰাপথৰ সালসলনি ঘটোৱা হৈছে।

০০০০০০

বুনিয়াদী অৰ্থনীতি সবলীকৰণেৰে ৰাজ্যক প্ৰগতিৰ দিশত লৈ যোৱাৰ লক্ষ্যৰে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় ৰূপায়ণৰ সকলো ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে। কাইলৈ গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভণী অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ৰাজ্যৰ ২৫ হাজাৰৰো অধিক স্থানত কাইলৈ এই অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই আঁচনিৰ অধীনত ৩৮ লাখৰো অধিক পৰিয়ালক অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে বিটিআৰৰ জিলাসমূহৰ বাহিৰে ৰাজ্যৰ সকলো জিলাৰ আয়ুক্ত সকলক অৰুণোদয় আঁচনিৰ ৰূপায়ণৰ কাম যথাযথভাৱে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০

ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্প আজিৰে পৰা আনুষ্ঠানিকভাৱে পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। অসম চৰকাৰৰ বন্যপ্ৰাণী বিভাগৰ প্ৰধান মুখ্য বন সংৰক্ষক ড০ বিনয় গুপ্তাই আজি উদ্যানখনত আয়োজিত এটা অনুষ্ঠানত ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে উদ্যানখন মুকলি কৰে। অনুষ্ঠানত মঙলদৈ বন্যপ্ৰাণী সংমণ্ডল বিষয়া ড০ প্ৰদীপ্ত বৰুৱা আৰু ভালেসংখ্যক উচ্চপদস্থ বিষয়া উপস্থিত আছিল।

০০০০০০

প্ৰাক্তন মন্ত্ৰী, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন অধিবক্তা তথা কৃতি শিক্ষক আব্দুল জববৰৰ কালি গুৱাহাটীৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। খাৰুপেটিয়াৰ নিজা বাসগৃহত এটা সৰু দুৰ্ঘটনাত মূৰত আঘাত পোৱা জববৰক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও কালি বিয়লি তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৬ বছৰ। দলগাঁও সমষ্টিৰ তিনিবাৰকৈ বিধায়ক তথা অসম গণ পৰিষদ চৰকাৰৰ কাৰ্যকালৰ মন্ত্ৰী আব্দুল জববৰ মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান বিভাগৰ শিক্ষকৰূপে অতি জনপ্ৰিয় আছিল। পৰৱৰ্তী কালত তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা হিচাপেও সুখ্যাতি অৰ্জন কৰিছিল।

০০০০০০

**সমাপ্ত**